দেওবৰীয়া দৈনিক
অগ্ৰদূত
যোৰহাট দেওবাৰ ৩ ভাদ ১৪২৪ ভাস্কৰাব্দ ২০ আগষ্ট ২০১৭

হিন্দীৰ হেঁচা

PROTEST AGAINST IMPOSITION OF HINDI
& MILs ON NORTH-EAST STUDENTS
DOWN WITH CHAUVINISM!
DOWN WITH LANGUAGE DISCRIMINATION!!

দেশৰ অষ্টম অনুসূচীত স্বীকৃত ২২টা প্ৰধান ভাৰতীয় ভাষাক ভাৰতৰ চৰকাৰী (অফিচিয়েল) ভাষা হিচাপে সংসদত অনুমোদনৰ বাবে এখন বিধেয়ক উত্থাপন কৰাৰ সময়তে পুনৰ এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে অ-হিন্দীভাষীসকলৰ ওপৰত হিন্দী ভাষা জাপি দিবলৈ অপচেষ্টা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰীয়ে সকলো সংসদ সদস্যলৈ প্ৰেৰণ কৰা এখন পত্ৰ হিন্দী ভাষাত লিখাৰ বিষয়তে শেহতীয়াভাৱে এই অভিযোগ উত্থাপিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰীয়ে ইংৰাজীৰ পৰিৱৰ্তে সকলো অ-হিন্দীভাষী সাংসদসকললৈ হিন্দী ভাষাত চৰকাৰী পত্ৰ প্ৰেৰণ কৰাত বিৰোধী দলবিলাকে কেন্দ্ৰীয় চৰকাৰৰ ভাষা-নীতিৰ বিৰুদ্ধে পুনৰ ঐক্যবদ্ধভাৱে থিয় দিয়াৰ আহ্বান জনাইছে। কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে উগ্ৰ অথবা সংকীৰ্ণ হিন্দীপ্ৰেমৰ নীতি গ্ৰহণ কৰা বুলি বিশেষকৈ অ-হিন্দীভাষী নেতা-সাংসদসকল সৰব হৈছে। বিশেষকৈ দক্ষিণ ভাৰতৰ নেতা তথা সাংসদসকলৰ উপৰি পূব তথা উত্তৰ-পূব ভাৰতৰ নেতাসকলে এই ক্ষেত্ৰত আপত্তি কৰিছে। উল্লেখ্য যে দক্ষিণ ভাৰতৰ ৰাজ্যসমূহ, পূব ভাৰতৰ ওড়িছা, পশ্চিমবংগ আদি ৰাজ্যসমূহ আৰু অসম, ত্ৰিপুৰা আদি উত্তৰ-পূবৰ ৰাজ্যসমূহ দেশৰ ৰিজিয়ন-৩ অৰ্থাৎ অঞ্চল-৩ৰ অন্তৰ্ভুক্ত। এই অঞ্চল-৩ৰ ৰাজ্যবিলাক হিন্দীভাষী নহয়। দেশৰ চৰকাৰী ভাষা-নীতিৰ অধীনত এই অঞ্চল নিৰ্ধাৰণ কৰা হৈছে। ওড়িছাৰ বিজু জনতা দলৰ সংসদ সদস্য তথাগত সতপথীয়ে কেন্দ্ৰীয় মন্ত্ৰীৰ হিন্দী ভাষাত লিখা পত্ৰৰ সন্দৰ্ভত টুইটাৰযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে এনেদৰে ঃ 'কেন্দ্ৰীয় মন্ত্ৰীসকলে অ-হিন্দীভাষী ভাৰতীয়সকলৰ ওপৰত হিন্দী ভাষা জোৰকৈ জাপি দিছে কিয়? এয়া অন্য ভাষাৰ ওপৰত আক্ৰমণ নেকি?' উল্লেখ্য যে কেন্দ্ৰীয় ভাষা-নীতি অনুসৰি অঞ্চল-৩ৰ অন্তৰ্ভুক্ত যিকোনো কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ বিভাগ নাইবা ব্যক্তিলৈ কেন্দ্ৰীয় চৰকাৰৰ যোগাযোগ ইংৰাজী ভাষাত হ'ব লাগে। অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰৰ ভাষা-নীতি অনুসৰি অ-হিন্দীভাষী ৰাজ্যৰ চৰকাৰী বিভাগ বা বিষয়া আদিলৈ কেন্দ্ৰীয় মন্ত্ৰী-বিষয়াই হিন্দী ভাষাত নহয়, ইংৰাজী ভাষাত যোগাযোগ কৰিব লাগিব। তেন্তে এই নীতি অমান্য কৰি কেন্দ্ৰীয় মন্ত্ৰীয়ে হিন্দী ভাষাত পত্ৰ প্ৰেৰণ কৰিবলৈ লৈছে কিয়? বিৰোধী সাংসদসকলৰ মতে শেহতীয়াভাৱে বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰী-বিষয়াই ইংৰাজীত পত্ৰ প্ৰেৰণ নকৰি হিন্দী ভাষাত পত্ৰ লিখিবলৈ লোৱা দেখা গৈছে। অৱশ্যে কেন্দ্ৰীয় গ্ৰামোন্নয়ন দপ্তৰৰ বিষয়াৰ মতে তেওঁলোকৰ মন্ত্ৰীজন মধ্যপ্ৰদেশৰ আৰু সেয়ে তেওঁ হিন্দী ভাষাত যোগাযোগৰ কাম কৰে। একে ধৰণৰ এখন পত্ৰ দেশৰ সকলো ৰাজ্য চৰকাৰলৈ হিন্দীৰ লগতে ইংৰাজী ভাষাত লিখি প্ৰেৰণ কৰা হৈছে। সাংসদসকলৰ অভিযোগ তথা আপত্তিৰ পাছত এনে স্পষ্টীকৰণ প্ৰকাশ পাইছে যদিও বিৰোধী নেতা-সাংসদসকলে কেন্দ্ৰৰ ভাষানীতিত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁলোকৰ অভিযোগ, কেন্দ্ৰীয় মন্ত্ৰী-বিষয়াসকলে অ-হিন্দীভাষীসকলৰ ওপৰত হিন্দী ভাষা বলপূৰ্বক জাপি দিয়াৰ চক্ৰান্ত চলাই আছে। কেৱল যে গ্ৰামোন্নয়ন মন্ত্ৰীৰ পৰাই সংসদ সদস্যলৈ হিন্দীত পত্ৰ প্ৰেৰণ কৰিছে তেনে নহয়। তামিলনাডুৰ এগৰাকী ডি এম কে সংসদ সদস্যৰ মতে বস্ত্ৰ মন্ত্ৰী স্মৃতি ইৰাণীয়েও তেওঁলৈ হিন্দী ভাষাত পত্ৰ প্ৰেৰণ কৰিছিল। তামিল প্ৰতিনিধিজনৰ মতে তেৰোঁ এতিয়া তামিল ভাষাত কেন্দ্ৰীয় মন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিব। দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ বিভিন্ন দলৰ সাংসদসকলৰো একেই অভিযোগ। কৰ্ণাটকৰ এগৰাকী বিৰোধী সাংসদৰ মতে উত্তৰ ভাৰতৰ মন্ত্ৰীসকলে প্ৰায়ে হিন্দী ভাষাত তেওঁলোকলৈ পত্ৰ প্ৰেৰণ কৰে। আন এগৰাকী বিৰোধী সাংসদেও একেই অভিযোগ উত্থাপন কৰি কৈছে যে এবাৰ এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীলৈ তেৰোঁ মালয়ালম ভাষাত পত্ৰ প্ৰেৰণ কৰিছিল আৰু লিখিছিল যে তেওঁ হিন্দী পঢ়িব নোৱাৰে। কেৰালাৰ এই সাংসদগৰাকীৰ মতে বৰ্তমান নতুন-পুৰণি সকলো কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ নাম হিন্দী ভাষাত দিয়া হৈছে। সংসদীয় সমিতিত উপস্থিত থাকি কেন্দ্ৰীয় চৰকাৰৰ বিষয়াসকলক হিন্দী ভাষাত কথা ক'বলৈ হেঁচা দিয়া হৈছে। ইয়াৰ আগেয়ে কেন্দ্ৰীয় চৰকাৰৰ বিষয়াসকলে ইংৰাজী ভাষাত যিকোনো কথা ব্যক্ত কৰিছিল। অ-হিন্দীভাষী দক্ষিণ ভাৰতৰ সাংসদসকলৰ এনে ধৰণৰ অভিযোগৰ পৰা স্পষ্ট হয়, বৰ্তমান কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ অ-হিন্দীভাষী ৰাজ্যবিলাকত হিন্দীৰ প্ৰচলনৰ বাবে বিভিন্ন ধৰণৰ হেঁচা প্ৰয়োগ কৰি আহিছে। দক্ষিণ ভাৰতৰ সাংসদৰ মতে উত্তৰ ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰী-বিষয়াসকলেহে প্ৰধানকৈ হিন্দী ভাষাৰ প্ৰচলনৰ বাবে হেঁচা প্ৰয়োগ কৰে। উত্তৰ ভাৰতৰ ৰাজনৈতিক নেতাসকলে হিন্দীৰ সৰ্বত্ৰ প্ৰচলনৰ বাবে হেঁচা প্ৰয়োগ কৰাৰ উপৰি ইংৰাজীৰ প্ৰচলন বন্ধ কৰিব বিচাৰে। তেওঁলোকে ইংৰাজী হটাও শ্ল'গান দিছে আৰু ইংৰাজীৰ প্ৰচলন বন্ধ কৰাৰ দাবী কৰিছে। উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মুলায়ম সিং যাদৱেও ইংৰাজীবিৰোধী শ্ল'গান দি আহিছে।

উত্তৰ ভাৰত আৰু মধ্য ভাৰতৰ হিন্দীভাষী নেতাসকলে তেওঁলোকৰ মাতৃভাষা হিন্দীৰ প্ৰচলন বা প্ৰয়োগ ভাৰতৰ সকলো ৰাজ্যত বাধ্যতামূলক কৰাটো বিচাৰে। হিন্দী যে ভাৰতৰ সৰ্বাধিক সংখ্যক লোকৰ মাতৃভাষা আৰু এই ভাষাই যে ৰাষ্ট্ৰভাষাৰ মৰ্যাদা লাভ কৰিছে, সেই সন্দৰ্ভত কোনো সন্দেহ নাই; কিন্তু ভাৰতৰ অধিকসংখ্যক ৰাজ্যৰ লোকৰ মাতৃভাষা হিন্দী নহয়। আনকি বিহাৰৰ ৰাজ্য ভাষা হিন্দী যদিও বিহাৰীসকলৰ মাতৃভাষা ভোজপুৰীহে। বৰ্তমান হিন্দীৰ আগ্ৰাসনে ভোজপুৰী ভাষাক দুৰ্বল কৰিছে। যিহেতু বেছিভাগ ৰাজ্যৰ ৰাজ্যভাষা তথা মাতৃভাষা সুকীয়া সুকীয়া, সেয়ে বিভিন্ন ৰাজ্য তথা কেন্দ্ৰৰ মাজত আৰু ৰাজ্য আৰু ৰাজ্যৰ মাজত চৰকাৰী যোগাযোগৰ মাধ্যম হিচাপে হিন্দী উপযুক্ত হ'ব পৰা নাই নাইবা সুবিধাজনক হ'ব পৰা নাই। হিন্দীৰ বিপৰীতে ভাৰতৰ বেছিসংখ্যক লোকৰ দ্বিতীয় ভাষা হিচাপে ইংৰাজী স্বীকৃত হৈছে। সকলো ৰাজ্যতে ইংৰাজী দ্বিতীয় ভাষা হিচাপে বিদ্যালয় তথা মহাবিদ্যালয়বিলাকত শিকোৱা হয়। চৰকাৰী যোগাযোগৰ ক্ষেত্ৰত সেয়ে ইংৰাজী গৃহীত হৈ আহিছে আৰু বিশেষকৈ দেশৰ অঞ্চল-৩ৰ অন্তৰ্ভুক্ত ৰাজ্যবিলাকৰ স'তে কেন্দ্ৰীয় চৰকাৰৰ যোগাযোগৰ মাধ্যম ইংৰাজী। দেশত প্ৰচলিত হৈ অহা এই ভাষা-নীতি বৰ্তমান প্ৰত্যাহ্বান নাইবা ভাবুকিৰ সন্মুখীন হৈছে নেকি? চৰকাৰে শেহতীয়াভাৱে ভাৰতৰ সকলো বিদ্যালয়তে হিন্দী ভাষা দশম শ্ৰেণীলৈ বাধ্যতামূলক কৰাৰ সিদ্ধান্ত লোৱাৰ খবৰে দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। বৰ্তমান বিদ্যালয়বিলাকত অষ্টম শ্ৰেণীলৈকে হিন্দী ভাষা বাধ্যতামূলক; কিন্তু মেট্ৰিকত হিন্দী বাধ্যতামূলক হ'লে ভাষাৰ বোজা ছাত্ৰ-ছাত্ৰীয়ে বহন কৰা কঠিন হ'ব। অথচ হিন্দীভাষী ৰাজ্যবিলাকৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এনে বোজা নাথাকিব। আনহাতে, বহুতে স্বেচ্ছাই হিন্দী বিষয়টো মাধ্যমিক পৰ্যায়ত বাছি লয়। মাতৃভাষাৰ পৰিৱৰ্তে হিন্দী বাছি লোৱাৰ প্ৰধান কাৰণ কেন্দ্ৰীয়ভাৱে হিন্দী প্ৰীতিৰ ৰাজনীতি। বৰ্তমান শাসক দলৰ নেতাসকলৰ মুখত এক দেশ এক ভাষা এক ধৰ্মৰ শ্ল'গান শুনিবলৈ পোৱা যায়; কিন্তু হিন্দী প্ৰচলনৰ হেঁচা নাইবা হিন্দী সম্প্ৰসাৰণবাদী ৰাজনীতিয়ে অখণ্ড ভাৰতক আৰু ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ আদৰ্শক দুৰ্বলহে কৰিব। চৰকাৰেও সেয়ে এই ক্ষেত্ৰত হেঁচা প্ৰয়োগৰ পৰা বিৰত থকাই মংগল।

চৌদিশে চৰম ব্যৰ্থতা

আমাৰ দেশত যাৰ ক্ষমতা আছে, সি এক ধৰণৰ বিচাৰহীনতাৰ সুবিধা ভোগ কৰে

আত্মজিজ্ঞাসা



কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

গণতন্ত্ৰৰ ইংৰাজী প্ৰতিশব্দ ডেম'ক্ৰেচি। শব্দটোৰ প্ৰয়োগ হৈছিল খ্ৰীষ্টপূৰ্ব পাঁচ শতকত। জনগণৰ শাসন, এই অৰ্থত প্ৰয়োগ কৰিছিল গ্ৰীক ঐতিহাসিক হিৰোডোটাচে। এথেন্সৰ খ্যাতনামা ৰাজনীতিবিদ পেৰিক্লিছে কৈছে ঃ আমাৰ শাসনক গণতন্ত্ৰ বুলি চিহ্নিত কৰো এই বাবেই যে শাসন ব্যৱস্থাৰ দায়িত্ব ন্যস্ত বহুজনৰ ওপৰত, কেইজনমান ব্যক্তিৰ ওপৰত নহয়। এৰিষ্ট'টলে 'পলিটিক্স' গ্ৰন্থত কৈছে যে সাধাৰণভাৱে যি ব্যৱস্থাত প্ৰত্যেকৰে অংশগ্ৰহণ নিশ্চিত হোৱা নাই, সেয়া কুলীনতন্ত্ৰ আৰু য'ত প্ৰত্যেকৰে অংশগ্ৰহণ নিশ্চিত হৈছে, সেয়া গণতন্ত্ৰ। আব্ৰাহাম লিংকনৰ উক্তি ঃ জনগণৰ চৰকাৰ জনগণৰ দ্বাৰা পৰিচালিত চৰকাৰ আৰু জনগণৰ স্বাৰ্থত পৰিচালিত চৰকাৰ।

ৰাজনৈতিক আদৰ্শ হিচাপে গণতন্ত্ৰ প্ৰাচীনতম। গণতান্ত্ৰিক ৰাষ্ট্ৰ কিন্তু সাম্প্ৰতিক কালৰ। এক অৰ্থত বিংশ শতকৰ। সমাজতান্ত্ৰিক বিশ্বতেই যথাৰ্থ গণতন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল বুলি ক'ব পাৰি; কিয়নো গণতন্ত্ৰৰ যি মূল ভিত্তি মানুহে মানুহে অধিকাৰ আৰু সুযোগৰ সাম্য, সেয়া তাত স্বীকৃতি লাভ কৰিছিল। নাগৰিকৰ মৌলিক মানৱাধিকাৰো অৰ্জিত হৈছিল; কিন্তু সেই বিশ্বতো আমোলাতন্ত্ৰ আছিল। যি আমোলাতন্ত্ৰই মূল কাৰণ, ছোভিয়েট ইউনিয়নৰ পতনৰ।

ৰাজনীতিত সোঁ-বাওঁৰ ধাৰণা আহিছে ফৰাচী দেশৰ পৰা। ফ্ৰান্সৰ পাৰ্লামেন্ট ভৱনৰ আকৃতি হ'ল অৰ্ধ চন্দ্ৰাকাৰ। ইয়াৰ বাওঁফালে বহিছিল সমাজতন্ত্ৰীবোৰ আৰু মাজভাগত বহিছিল মধ্যমপন্থী আৰু সোঁফালে বহিছিল ৰক্ষণশীল দলৰ নিৰ্বাচিত পাৰ্লামেন্টাৰী প্ৰতিনিধি বা ডেপুটিবোৰ। বামপন্থী বুলি বুজাইছিল প্ৰধানতঃ তেতিয়াৰ সমাজতন্ত্ৰীবোৰক। যাৰ নেতা আছিল লুই ব্লাঁ।

দেশত কমিউনিষ্ট পাৰ্টিৰ কাৰ্যতঃ কোনো অস্তিত্ব নাই। অৱশ্যে বামপন্থীৰ অৱস্থা ক্ষয়িষ্ণু বুলি কোৱাতকৈ পুঁজিবাদৰ অৱস্থা বৰ্বৰতাৰ শেষ প্ৰান্তত উপনীত হৈছে বুলি কোৱাই ঠিক হ'ব। পুঁজিবাদে এতিয়া ফেচিবাদী ৰূপ লৈছে আৰু তাৰ আগ্ৰাসনত মানুহ, প্ৰকৃতি, জৈৱ বৈচিত্ৰ্য, সকলো কিছুৱেই সন্ত্ৰস্ত অৱস্থাত আছে। দেশত বামপন্থীৰ বিপদো সেই আগ্ৰাসনৰ কাৰণেই ঘটিছে।

দ্বিতীয় মহাযুদ্ধৰ অৱসানৰ পাছত ব্ৰিটিছ ভাৰতত কংগ্ৰেছৰ পাছতেই সবাতোকৈ প্ৰভাৱশালী সৰ্বভাৰতীয় দল আছিল ভাৰতৰ অবিভক্ত কমিউনিষ্ট পাৰ্টি। কমিউনিষ্ট পাৰ্টিয়ে হৰতালৰ আহ্বান জনালে সমগ্ৰ ভাৰতত বিৰাজ কৰিছিল অচলাৱস্থা। ১৯৪২ত কংগ্ৰেছৰ আগষ্ট আন্দোলনৰ বিৰোধিতা আৰু ব্ৰিটিছ শাসকবৰ্গক সহযোগিতা আগবঢ়াবলৈ গৈ কমিউনিষ্ট পাৰ্টিয়ে হেৰুৱায় জনপ্ৰিয়তা। যুদ্ধ শেষ হোৱাৰ পাছত ব্ৰিটিছ খেদা আন্দোলনত যোগ দি হেৰোৱা জনপ্ৰিয়তা পুনৰ উভতাই পায় যদিও ১৯৪৭ৰ স্বাধীনতাৰ পাছতেই 'ইয়ে আজাদী ঝুথা হ্যায়' শ্ল'গান তুলি সশস্ত্ৰ বিপ্লৱৰ নামত স্বাধীন ভাৰতৰ বুৰ্জোৱা গণতান্ত্ৰিক চৰকাৰক উচ্ছেদ কৰিবলৈ গৈ যি ভয়াবহ সন্ত্ৰাস আৰম্ভ কৰিছিল, সেয়াই এই দলৰ পতনৰ সূচনা ঘটায়। স্বাধীনতাৰ পাছত প্ৰথম নিৰ্বাচনৰ সময়ত জৱাহৰলাল নেহৰুৱে সঁচা অৰ্থত এক বিৰোধী দলৰ প্ৰয়োজনীয়তা গভীৰভাৱে অনুভৱ কৰিছিল সংসদীয় গণতন্ত্ৰৰ বিকাশৰ বাবে। নিৰ্বাচনত কমিউনিষ্ট পাৰ্টিৰ অস্তিত্ব বিলুপ্ত হোৱাৰ অৱস্থা। কেৰালাত কমিউনিষ্ট পাৰ্টিৰ কিছু অস্তিত্ব আছিল। নেহৰুৱে তেওঁৰ কৰ্মীবোৰক নিৰ্দেশ দিছিল কেৰালাত যেন কমিউনিষ্ট পাৰ্টিয়ে জয়লাভ কৰে। নহ'লে ভাৰতত গণতন্ত্ৰই নিজৰ অস্তিত্ব হেৰুৱাই পেলাব। নেহৰুৰ উদ্যোগত কমিউনিষ্ট পাৰ্টি বিলুপ্ত হোৱা নাছিল। আজিও কেৰালাত কমিউনিষ্ট পাৰ্টি যথেষ্ট শক্তিশালী ৰাজনৈতিক দল। এয়াই ভাৰতৰ গণতন্ত্ৰৰ সৌন্দৰ্য। গণতন্ত্ৰ বুলিলে কেৱল পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ মাধ্যমত চৰকাৰ পৰিৱৰ্তনকেই নুবুজায়। গণতন্ত্ৰৰ পৰিধি অনেক ব্যাপক আৰু বিস্তৃত।

দুই

উগ্ৰ হিন্দু জাতীয়তাবাদৰ ৰাজনীতিত বাঢ়ি উঠা 'হিন্দু যোদ্ধা ঋষি' নামে খ্যাত যোগী আদিত্যনাথ ভাৰতৰ সৰ্বাধিক জনসংখ্যাৰ ৰাজ্য উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ পদটো ভাৰতৰ এক গুৰুত্বপূৰ্ণ পদ।

জাতীয়তাবাদৰ উৎসৰূপে পৰিগণিত গোৰক্ষনাথ মন্দিৰৰ এজন প্ৰাচীন সদস্যৰূপে কঠোৰ হিন্দুত্ববাদী আদিত্যনাথৰ ৰাজনৈতিক অংগনত পদাৰ্পণ। সেই সময়ত মুছলমান সম্পৰ্কে আদিত্যনাথৰ মন্তব্য ঃ ইহঁত দুই ভৰিৰে খোজকঢ়া জানোৱাৰৰ দল। ইহঁতক ৰখাব লাগিব। জনতাক উদ্দেশ্য কৰি হুংকাৰ দিছিল— এক ধৰ্মযুদ্ধ আৰম্ভ কৰিবৰ বাবে আমি প্ৰস্তুত হ'ব লাগিব। আদিত্যনাথে উগ্ৰ হিন্দুত্ববাদিতাৰ অনুপ্ৰেৰণা লাভ কৰিছিল গোৰক্ষনাথ মন্দিৰৰ পৰা, যি মন্দিৰৰ পুৰোহিত দিগ্বিজয় নাথে মহাত্মা গান্ধী নিহত হোৱাৰ কিছুদিন আগৰ পৰা গান্ধীক হত্যা কৰিবৰ বাবে সহিংস হিন্দুৰ প্ৰতি আহ্বান জনাইছিল। তাৰ বাবে দিগ্বিজয় নাথক গ্ৰেপ্তাৰ কৰা হৈছিল। পৰৱৰ্তী প্ৰধান পুৰোহিত মহান্ত অবৈদ্যনাথে ১৯৯২ত সহিংস জনতাক আহ্বান জনাইছিল চাৰিশ বছৰৰ পুৰণি ঐতিহ্যবাহী বাবৰি মছজিদ ভাঙি হিন্দু মন্দিৰ প্ৰতিষ্ঠাৰ বাবে। যাৰ ফলত ভাৰতৰ ইতিহাসৰ ভয়ংকৰ সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল। আদিত্যনাথ এই মন্দিৰৰ এজন মহন্ত হৈ হিংস যুৱকবোৰক লৈ গঢ়ি তুলিছিল হিন্দু যুৱ ব্ৰিগেড। এই ব্ৰিগেডৰ সদস্য সংখ্যা এতিয়া আঢ়ৈ লাখ। মুখ্যতঃ এই যুৱ বাহিনীৰ দপ্‌দপনি আৰু আধিপত্যৰ জোৰত আৰু উগ্ৰ হিন্দুত্ববাদৰ শ্ল'গানত আদিত্যনাথ পাৰ্লামেন্টৰ সদস্য নিৰ্বাচিত হৈছে পাঁচবাৰ।

আদিত্যনাথ এদিন ভাৰতৰ প্ৰধানমন্ত্ৰী হ'ব। হিমন্ত বিশ্ব শৰ্মা হ'ব অসমৰ মুখ্যমন্ত্ৰী। হয়তো ৪৬ মাহ পাছত হ'বলগীয়া নিৰ্বাচনত হিমন্ত বিশ্বক অমিত শ্বাহ আৰু মোদীয়ে মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰিব।

তিনি

আৰ এছ এছৰ স্বয়ংসেৱক দীনদয়াল উপাধ্যায়ৰ নামত পাঁচখন আদৰ্শ চৰকাৰী মহাবিদ্যালয় খোলা হ'ল। কেৱল সেয়াই নহয়, অহা চাৰি বছৰলৈকে হ'বলগীয়া আটাইবোৰ চৰকাৰী মহাবিদ্যালয় দীনদয়াল উপাধ্যায়ৰ নামতেই হ'ব বুলি ঘোষণা কৰিছে হিমন্ত বিশ্ব শৰ্মাই। হিমন্ত বিশ্বৰ মতে, 'একাত্ম মানৱতাবাদ'ৰ জন্মদাতাই হ'ল দীনদয়াল; কিন্তু দীনদয়াল এনে এগৰাকী দাৰ্শনিক, যাৰ দৰ্শন মতে মুছলমানক শুদ্ধিকৰণ কৰাৰ পাছতহে ভাৰতত ঠাই দিব লাগিব।

বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাসে কৈছে ঃ বিজেপি দলে আৰ এছ এছৰ স'তে আলোচনা কৰে, কাৰণ আৰ এছ এছ এনে এটা সংগঠন, যিটোৱে মানুহক ৰাষ্ট্ৰবাদী হ'বলৈ শিকায়, বৌদ্ধিক শিক্ষা দিয়ে, আধ্যাত্মিক শিক্ষা দিয়ে। ৰঞ্জিত দাস আৰ এছ এছৰ শিক্ষাৰে শিক্ষিত হৈ উঠিছে। সেয়ে মাছৰ দৰে মূৰৰ পৰা গেলিছে।

নিয়মীয়া বাৰ্তাৰ প্ৰথম কলমৰ চাৰি আগষ্টৰ 'পুণ্যধাম যাত্ৰা' আৰু সাত আগষ্টৰ 'নাম বিভ্ৰাট' লেখা দুটাৰ বাবে মই হোমেন বৰগোহাঞিক মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো। তেওঁৰ লেখা দুটাই মোৰ হতাশা বহু পৰিমাণে দূৰ কৰিছে।

> **ভাৰতৰ গণতন্ত্ৰৰ সৌন্দৰ্য। গণতন্ত্ৰ বুলিলে কেৱল পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ মাধ্যমত চৰকাৰ পৰিৱৰ্তনকেই নুবুজায়। গণতন্ত্ৰৰ পৰিধি অনেক ব্যাপক আৰু বিস্তৃত।**

চাৰি

Too many people expect wonders from democracy, when the most wonderfull thing of all is just having it...

–Walter Winchell

পাকিস্তানৰ কোনো নিৰ্বাচিত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ কাৰ্যকাল সম্পূৰ্ণ কৰিব পৰা নাই। সেনাবাহিনীয়ে ক্ষমতা দখল কৰিছে বহুতো বছৰ। পাকিস্তানৰ ভংগুৰ গণতন্ত্ৰ। সম্প্ৰতি পাকিস্তানৰ প্ৰধানমন্ত্ৰী নৱাজ শ্বৰিফক সৰ্বোচ্চ আদালতে এক দুৰ্নীতিৰ গোচৰত ক্ষমতাত থকাৰ অযোগ্য ঘোষণা কৰিছে। ছুপ্ৰিম ক'ৰ্টৰ এই ঘোষণাই তিনি দশক ধৰি ৰাজনীতিত শক্তিমান নৱাজ শ্বৰিফৰ ৰাজনৈতিক কেৰিয়াৰ টিফিন কেৰিয়াৰত পৰিণত কৰি দিলে।

আমাৰ দেশত যাৰ ক্ষমতা আছে, সি এক ধৰণৰ বিচাৰহীনতাৰ সুবিধা ভোগ কৰে।

পাঁচ

বিজেপিয়ে শাসনভাৰ গ্ৰহণ কৰাৰ ১৪ মাহৰ ভিতৰত মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, বিত্তমন্ত্ৰী, শক্তিমন্ত্ৰী, পৰিবহণ মন্ত্ৰী, কৃষিমন্ত্ৰী, জলসম্পদ মন্ত্ৰী, বনমন্ত্ৰী আদি অসংখ্য মন্ত্ৰীৰ লগতে বিজেপিৰ ৰাজ্যিক সভাপতিকে ধৰি যিমান পুত্তলিকা দাহ কৰিলে, জনসাধাৰণে সিমান পুত্তলিকা চাগে দাহ কৰা হোৱা নাছিল কংগ্ৰেছৰ ১৫ বছৰীয়া শাসন কালত।

অপদাৰ্থ অকৰ্মণ্য শক্তিমন্ত্ৰী পল্লৱলোচন দাসক মন্ত্ৰীসভাৰ পৰা সৰ্বানন্দ সোণোৱালে আজিলৈকে অপসাৰণ কৰা নাই। দুৰ্নীতিপৰায়ণ ৰঞ্জিত দত্ত এতিয়াও মন্ত্ৰীসভাত। এওঁলোকক অপসাৰিত কৰিলে মুখ্যমন্ত্ৰীৰ সন্মান বৃদ্ধি হ'লহেঁতেন। চৌদিশে চৰম ব্যৰ্থতা সৰ্বানন্দ সোণোৱালৰ।

ছয়

First keep the peace within yourself, then you can also bring peace to others.

–Thomas A Kempis

এসময়ত বন্দুক হাতত লৈ মানুহ মাৰি ফুৰা সন্ত্ৰাসী হাগ্ৰামা মহিলাৰী এতিয়া বিটিচি প্ৰধান। সন্ত্ৰাসীৰ হাতত মৃত্যুবৰণ কৰি দুদিন ধৰি পথাৰত পৰি থকা প্ৰিয়া বসুমতাৰীৰ নিথৰ দেহ এতিয়াও মই মাজে মাজে সপোনত দেখা পাই সাৰ পাওঁ। দুৰ্বৃত্তৰ হাতত নিহত লাফিকুলৰ পৰিয়ালৰ দুজনক ইমান কম সময়ৰ ভিতৰত চৰকাৰী চাকৰি প্ৰদান আৰু আৰ্থিক সাহায্য দান কৰা হাগ্ৰামা মহিলাৰীয়ে প্ৰিয়া বসুমতাৰীৰ বাবে একো নকৰিলে কিয়?

Injustice anywhere is a threat to justice everywhere.

– Dr. Martin Luther King JR.

সাত

আনন্দ আৰু বেদনাৰ কাহিনী। কেইবছৰমান আগতে অসমৰ প্ৰতিখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছিল ইউ পি এছ চি পৰীক্ষাত চতুৰ্দশ স্থান লাভ কৰা মুকেশ পাণ্ডেৰ ছবি। সেয়া আছিল আমালৈ গৌৰৱ কঢ়িয়াই অনা এক আনন্দৰ বতৰা। অসমৰ প্ৰতিখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত আজি সেই একেখন ছবি। বেদনাৰ কৰুণ কাহিনী। মুকেশ পাণ্ডেৰ আত্মহত্যাৰ বাতৰি।

বহুতৰে ধাৰণা, জীৱনত যাৰ যিমান বেছি অৰ্জন, সি সিমান বেছি সফল আৰু সাফল্য যাৰ বেছি, সি সিমান সুখী। আচলতে কিন্তু সেয়া নহয়। কিছু মানুহ জীৱনত ঈৰ্ষণীয় সাফল্য লাভ কৰিও সুখী নোহোৱাৰ কাৰণ সুখ আৰু সাফল্য একে বস্তু নহয়। কেৱল সফল হ'লেই সুখী হোৱা নাযায়। বিশ্ববিখ্যাত সাহিত্যিক লিও টলষ্টয় স্ত্ৰীৰ কাষৰ পৰা পলাই গন্তব্যহীন পথত ওলাইছিল শীতৰ ৰাতি। ন'বেলবিজয়ী বহুতৰে পত্নীৰ স'তে ঘটিছে বিচ্ছেদ। ভালপোৱাৰ সৌন্দৰ্য উপভোগ কৰাৰ সৌভাগ্য সকলোৰে ভাগ্যত নঘটে।

পৰম সত্য বুলি
আচলতে একো নাই
কিছু স্বপ্ন কিছু মাথো ভ্ৰম
ৰাতিয়ে দিনক কেতিয়াও
নোৱাৰে কৰিব অতিক্ৰম

আঠ

পাৰ হৈ গ'ল স্বাধীনতা দিৱস। ১৯৪৭ৰ ১৫ আগষ্ট, ২০১৭ৰ ১৫ আগষ্ট— সুদীৰ্ঘ ৭০ বছৰ। আধুনিক ভাৰতবৰ্ষৰ ইতিহাসৰ দুটা ডাঙৰ ট্ৰেজেডী। এটা ঘটিছে ১৮৫৭ত, আনটো ১৯৪৭ত। এটাৰ স'তে আনটো যুক্ত। মাজত স্বাধীনতা সংগ্ৰামৰ মহাকাব্য; কিন্তু সেই সংগ্ৰামৰ পৰিণতি নহ'ল মহাকাব্যিক। হ'ল ট্ৰেজিক। ১৯৪৭ৰ ১৫ আগষ্টত যি ঘটিল, আপাতদৃষ্টিত সেয়া আছিল প্ৰায় অসম্ভৱ। অকল্পনীয়। স্বাধীনতাৰ নামত যে ডমিনিয়ন ষ্টেটাছ পোৱা যাব আৰু ভাৰতবৰ্ষ, অষ্ট্ৰেলিয়া আৰু কানাডাৰ দৰে ডমিনিয়ন হৈ ব্ৰিটিছ কমনৱেলথৰ ভিতৰত ৰৈ যাব, এয়া মোটামুটি জনা আছিল; কিন্তু দেশ ভাগ হৈ দুটুকুৰা হ'ব, সেয়া কোনেও কল্পনা কৰা নাছিল; কিন্তু ৰাজনীতিত ধৰ্মৰ ব্যৱহাৰ। সেই ব্যৱহাৰত দেশ বিভাজন সম্ভৱ হৈছে।

ভাৰতবৰ্ষ হেজাৰ বছৰৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ দেশ। হিন্দু, মুছলমান, শিখ, বৌদ্ধ, খ্ৰীষ্টান সকলোৰে দেশ। 'সৰ্বে সুখিনঃ ভৱন্তু সৰ্বেসন্তু নিৰাময়া, সৰ্বে ভদ্ৰানি পশ্যন্ত, মা কাশ্চিৎ দুঃখ ভাগ ভৱেৎ'।

সকলো প্ৰাণী সুখী হওক। সকলোৰে ৰোগ নিৰাময় হওক। সকলোৰে কল্যাণ হওক। কোনেও যেন দুখ নাপায়।

ভাৰতবৰ্ষ কেতিয়াও এক জাতিৰ দেশ নাছিল, আছিল বহুজাতিৰ দেশ আৰু সেই জাতীয়তাৰ ভিত্তি ধৰ্ম নহয়, ভাষা।

ফোন ঃ ০০১৪০৩২৭০১৮১৭

চৰকাৰৰো লাভ, ৰাইজৰো লাভ

ৰিজু হাজৰিকা

চাৰিওফালে বানপানীৰ তাণ্ডৱ আমাৰ শুৱনি অসমখনত। বাতৰিখন পঢ়িলেই বুকু কঁপি উঠে, টিভিটো খুলিলেই বানপানীৰ তাণ্ডৱ দেখি মূৰ ঘূৰি যায়। গুৱাহাটী চহৰতো বানপানীৰ তাণ্ডৱ। ব্ৰহ্মপুত্ৰৰ পানী বাগৰি শান্তিপুৰ, ভৰলুমুখ ডুবাই পেলাইছে। ইয়াৰ উপৰি কৃত্ৰিম বানপানীতো আছেই। কৃত্ৰিম বানপানীয়ে মোৰ ঘৰখনো বছৰৰ পাঁচ-ছয় মাহ ডুবাই ৰাখে। মোৰ দুখ-দুৰ্দশাৰ কথাটো বেলেগ।



এই বানপানীৰ পৰা ৰক্ষা পাবলৈকে যোৱা কিছুদিনৰ পৰা গুৱাহাটীত পূজা-পাতল খুব চলিছে। নামঘৰবিলাকত শ্ৰীকৃষ্ণৰ নাম-প্ৰসংগ, গণেশ মন্দিৰবিলাকত গণেশ পূজা, মনসা মন্দিৰবিলাকত মনসা দেৱীৰ পূজা, কালীমন্দিৰবিলাকত শ্ৰীশ্ৰীকালীমাৰ পূজা। তদুপৰি ঘৰে ঘৰে শিৱ পূজা, নাৰায়ণ পূজা। মনসা মন্দিৰৰ উদ্যোক্তাসকলে চাঁদা-বৰঙণিৰ বহী লৈ ঘৰে ঘৰে পইচা তুলি ফুৰিছে, নামঘৰৰ মহিলাসকলে ঘৰে ঘৰে পইচা তোলা নাই, কিন্তু তেওঁলোকৰ মাজৰে পৰা চাঁদা-বৰঙণি তুলিছে, গণেশ মন্দিৰৰ কমিটীৰ মানুহে ঘৰে ঘৰে পইচা তুলিবলৈ নাহে, ভক্তসকলে মন্দিৰলৈ গৈয়েই টকা, মিঠাই, ভোগ, খিচিৰি আদিৰে মন্দিৰৰ ভঁৰালঘৰ ভৰাই দিয়ে। মিঠাতেলৰ টিন, দাইল, চাউল, চেনিৰ বস্তাৰে ভঁৰাল ঘৰ ভৰি থাকে। তদুপৰি ভঁৰাল ঘৰত দম হৈ থাকে আদা, নিমখ, চাহপাতৰ পেটি। এইবোৰ দিয়ে ব্যৱসায়ী ভক্তসকলে। সাধাৰণ ভক্তসকলে মন্দিৰত গৈ খিচিৰি, ভোগ, পায়স খায়। এইসকলৰ মাজত বনাৰ্ত্য লোক নিশ্চয় নাই। তদুপৰি ঘৰে ঘৰে পূজা হয়— শিৱ পূজা, নাৰায়ণ পূজা, মনসা পূজা, বিষ্ণু পূজা, হনুমান পূজা, লক্ষ্মীপূজা, সৰস্বতী পূজা, কালীপূজা, বাসন্তী পূজা, দুৰ্গা পূজা আদি অসংখ্য দেৱ-দেৱীৰ পূজা আছেই।

গতিকে ঘৰে-মন্দিৰে, নামঘৰে পতা এই পূজাবোৰত কত লাখ লাখ টকা খৰচ হয় তাৰ হিচাপ নাই। বানাক্ৰান্ত লোকসকলে এইবোৰ পূজাৰ পায়স, প্ৰসাদ, খিচিৰি, মিঠাই আদি খাবলৈ পালে চৰকাৰী সাহায্যৰ প্ৰয়োজনেই নাই। কিন্তু তেওঁলোকে নাপায়। তদুপৰি চহৰবিলাকত, মহানগৰত ব্যৱসায়ীসকলৰ গুদামত, দোকানত যিমানবোৰ খাদ্যবস্তু মজুত আছে ৰাজ্যখনত বানপানীত আক্ৰান্ত হোৱা লোকসকলক এইবোৰ বিতৰণ কৰিলেও মানুহৰ আলাই-আথানি নহ'লহেঁতেন, খাবলৈ নাপাই নমৰিলহেঁতেন, অসুখ-বিসুখ নহ'লহেঁতেন! কিন্তু বেপাৰীবিলাকে দিয়েনে? গুৱাহাটীত এখন ডাঙৰ দোকান আছে। তাত খাদ্যবস্তুৰ পেকেট দেখিলে চকুৰে ধোঁৱা-কোৱা দেখিব লাগে। ময়ো কিবা পাকত পৰি সিদিনা সেই দোকানখনত মুগদাইলৰ একিলোৰ পেকেট এটা কিনিলো। দাম ৭৮ টকা ল'লে। মোৰ সময়ৰ অভাৱ কাৰণে তেনেকৈয়ে লৈ আহিলো। আহি আমাৰ অঞ্চলতে থকা এখন ডাঙৰ দোকানত মুগ দাইলৰ দাম কিমান সুধিলো। তেওঁ ক'লে— ৬৮ টকা। সেই ডাঙৰ দোকানখনক উধাই-মুধাই গালি পাৰিলো। ইমান ডকাইত। এইসকল দোকানীয়ে বানপানীত বুৰি থকা লোকক কিন্তু এপইচাও সাহায্য দিয়া নাই। ইহঁতৰ গুদামত আলু, পিঁয়াজ পচি যায়। ভালে থকাখিনিত তিনিগুণ দাম বেছিকৈ লৈ পচাখিনিৰ হেৰ-হোৰ আমাৰ পৰাই লয়। এইসকল বেপাৰীৰ ওপৰত কোনোৱে আন্দোলন নকৰে। অৱশ্যে আন্দোলনকাৰীসকলৰ পইচাৰ অভাৱ নাই। তেওঁলোকে আলু, পিঁয়াজ, চাউল, নিমখ এশ টকা কিলো হ'লেও কিনি খাব। মৰণ কাঠি চেলেকাসকলৰ। আমাৰ দৰে সাধাৰণ মানুহৰ মৰণ। আমি এতিয়া পিঁয়াজ কিনি খাব লাগে ৪০ টকাত, চেনি ৪৬ টকাত, দাইল ৭৮ টকা, চাউল ৫০ টকা, মিঠাতেল, ১২০ টকা, নিমখ ২০ টকা, এটা চিলিণ্ডাৰত ৭২০ টকা, শাক-পাচলি দিনটোত মিনিমাম এশ টকা, আটা ৪০ টকা। এইখিনি নহ'লে আমি জীয়াই থাকিব নোৱাৰো। অভিজাত শ্ৰেণীৰ খাদ্য খোৱা আমাৰ সপোনৰো অগোচৰ।

বানপানীত আক্ৰান্ত লোকৰ সাহায্য প্ৰদান কৰা ক্ষমতা আমাৰ নাই। গান্ধীৰ দৰে লোক থকা হ'লে হয়তো এশ বা দুশ টকা দিব পাৰিলেহেঁতেন। গান্ধীজীয়ে এজনী মহিলাই হাচতিৰ পৰা উলিয়াই এটা টকা গান্ধীৰ হাতত দান দিয়াত হাঁহিমুখে সেই টকাটো গ্ৰহণ কৰিছিল। কিন্তু আমাৰ এশ বা দুশ টকা দানৰ কি মূল্য আছে।

ময়ো এতিয়া কৃত্ৰিম বানপানীত বাৰিষাৰ ছমাহ ভুগি থাকো। গধাই বেউলাক কোৱাৰ দৰে— গন্ধ পানী লাৰি-চাৰি গন্ধ পানী খাবি, বাৰিষাৰ ছয় মাস কইনা পানীক নাযাবি। ইৰিণাৰে ঘৰ কইনা, বিৰিণাৰে বেৰা, তাতে বহি লেখবি কইনা সৰগৰে তৰা।। হাউলি পাতি বান্ধি থৈছো সুধা টিনৰ ঘৰ। বৈহ্ৰান আনলি দাউৰি ফুৰো পৰৰ ঘৰে ঘৰ। মোৰ অৱস্থাও এনেকুৱাই। দ্বাপৰ যুগতে কম দামত মাটি অলপ কিনি থৈছিলো। বৰষুণৰ পানী চাৰিওফালে বৈ গৈ ভৰলুত পৰিছিল। তাৰ পাছত দক্ষিণ ফালত দুঘৰ মানুহে অট্টালিকা বান্ধি পানী যোৱা ৰাস্তা বন্ধ কৰি দিছে, তেনেকৈ উত্তৰ দিশত দুজন ডাঙৰ চৰকাৰী বিষয়াই মোৰ ফালে বৰষুণৰ পানী বৈ আহিব পৰাকৈ বাট ৰাখিছে আৰু পশ্চিমৰ ঘৰে প্ৰকাণ্ড ৱাল দি ৱালৰ তলেৰে শৌচ-প্ৰস্ৰাৱ কৰা, গা ধোৱা পানী মোৰ ফালে আহিব পৰাকৈ, চান্দ সদাগৰৰ মেৰঘৰত পদ্মাৱতীৰ নিৰ্দেশ মতে এটা ফুটা ৰাখিছে কাৰো চকুত নপৰাকৈ, কালী নাগ কেশৰ সমান হৈ সেই ফুটাৰে মেৰঘৰত সোমাই লখিন্দাৰক দংশন কৰিব পৰাকৈ, মোৰ ঘৰলৈ আহিব পৰাকৈ ফুটা ৰাখিছে। কে'বাদিনো চাৰিওদিশৰ ভদ্ৰলোকসকলক কাকুতি-মিনতি কৰিছিলো, নাই নামাতে। আপুনি অলপ পাইপ আনি গেমন কোম্পানীয়ে পাইপ বহুওৱাৰ দৰে পাইপ বহুৱাই তলেৰে নি পানীখিনি ভৰলুত পেলাই দিয়ক। পাঁচশ টকা বানাক্ৰান্তক দান দিব নোৱৰা মানুহটোৱে পাঁচ লাখ টকা খৰচ কৰি পাইপ পাতালেৰে নি ভৰলু বা ব্ৰহ্মপুত্ৰত পেলাম। সেই কাৰণে মই এতিয়া ঘৰৰ পৰিয়ালৰ গালি খাই থাকো আৰু বৰুণ দেৱতাক পূজা কৰো, প্ৰভু বাৰিষাৰ ছমাহ তুমি বৰষুণ নিদিবা, নহ'লে মই গোটেই জীৱন কৃত্ৰিম বানত ডুবি মৰিম। বৰুণ দেৱতাই মোৰ কথা শুনিলে অসমত আৰু বানপানী নহয়, চৰকাৰৰো লাভ, ৰাইজৰো লাভ।

সৰ্প মালিচ

দেৱেন খাৰখোৱা

নৰমনিচৰ শৰীৰ মালিচৰ ইতিহাস বহু পুৰণি। মালিচ পাঁচ হেজাৰ বছৰৰ আগৰ নৰমনিচেও কৰিছিল, আজিৰ একৈশ শতিকাৰ অত্যাধুনিক নৰমনিচেও কৰে। বিষ-বেদনানাশকৰূপে মালিচৰ ব্যৱহাৰ সাৰ্বজনীন। ৰজাৰ পৰা মল্ল যুঁজাৰু, খেলুৱৈৰ পৰা খেতিয়কলৈ— কোনে শৰীৰ-মনৰ শান্তি-সকাহৰ বাবে মালিচ জীৱনৰ এক অবিচ্ছেদ্য অংশ কৰি লোৱা নাই?

ভাৰতবৰিষ, মহাচীন, জাপানে হেজাৰ হেজাৰ বছৰ পূৰ্বে হাত-ভৰি-ডিঙি-কঁকাল, আঙুলি, মাথাৰ মালিচত মত্ত আছিল বুলি জনা যায়। ভাল আহাৰৰ লগতে নিয়মিত গা মালিচ দীৰ্ঘ আৰু স্বাস্থ্যসন্মত শৰীৰৰ বাবে অপৰিহাৰ্য বুলি বিবেচিত হৈ আহিছে। প্ৰাচীন গ্ৰীচ, আৰবৰ মালিচ সৰ্বজনবিদিত। তৃতীয় বিশ্বৰ দেশত গৰ্ভজাত তিৰোতাৰ, প্ৰসূতি আৰু সদ্যজাতৰ মালিচৰ দায়িত্ব এচাম ধাই নামৰ মহিলাৰ ওপৰত ন্যস্ত। এতিয়াও ভিতৰুৱা গাঁৱত মিঠাতেলৰ মালিচেই বিষ-বেদনা উপশমৰ একমাত্ৰ চিকিৎসা। সমানে সমানে বিহলঙনীৰ পাতৰ কোবতো আছেই।

মালিচ হৈছে এক প্ৰকাৰ স্পৰ্শ থেৰাপী। বিষ-বেদনাত আতুৰ নৰমনিচৰ দেহৰ আক্ৰান্ত অংশ আলফুলে স্পৰ্শ কৰি মালিচৰ জৰিয়তে কষ্টৰ লাঘৱ অথবা উপশম কৰাই মালিচ বৃত্তিত জড়িত ব্যক্তিৰ লক্ষ্য আৰু উদ্দেশ্য। স্পৰ্শৰ লগে লগে মনপৰশা আৰু শুৱলা-সুমিষ্ট বচনেও আক্ৰান্তজনৰ বাবে শান্তি-সুধাৰ কাম কৰিব পাৰে আৰু কৰা উচিত। মালিচৰ নিচিনা সূক্ষ্ম বৃত্তিত জড়িত নৰমনিচৰ নৈতিকতাও হ'ব লাগিব সকলো সন্দেহৰ উৰ্ধ্বত। মালিচ বৃত্তিগতৰ হাত দুখনে কৰিব, কিন্তু বৃত্তিগতৰ হৃদয়ৰ উত্তাপে আক্ৰান্তজনক দিব গভীৰ মানসিক আৰু আধ্যাত্মিক প্ৰশান্তি। আক্ৰান্তৰ প্ৰতি পাত্ৰভেদে সন্মান, তেওঁৰ ব্যক্তিগত ৰুচি-অভিৰুচি-ইচ্ছা-অনিচ্ছাৰ প্ৰতি সজাগ আৰু সৰ্বোপৰি নিজৰ কামেৰে সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰকাশ।

দিন-কাল সলনি হ'ল। বিউটি পাৰ্লাৰতহে আজিকালি মালিচ কৰিবলৈ ধন-বিত থকাগণে ঢাপলি মেলে। তাতে বিউটি পাৰ্লাৰ মানেই ধুনীয়া ছোৱালী। পাৰ্লাৰবোৰো ভিন্ন কিচিমৰ। কোনোবাখন যদি কেৱল মহিলাৰ বাবে আনখন আকৌ মহিলা আৰু শিশুৰ বাবে। ছোৱালীয়ে মেছেজ কৰা পাৰ্লাৰত পুৰুষ যায়নে?

পাঠকক আজি বেলেগ ধৰণৰ মালিচৰ কথাহে ক'বলৈ ওলাইছো। জাৰ্মানীৰ ড্ৰেছডেন চহৰৰ এখন বিউটি পাৰ্লাৰৰ মালিকজনৰ নাম ফ্ৰেংক ডহলেন। ফ্ৰেংকে দক্ষিণ আফ্ৰিকাৰ বিউটি পাৰ্লাৰত দেখা অদ্ভুত মালিচশৈলী নিজৰ পাৰ্লাৰতো প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰিলে। ফ্ৰেংকে নিজৰ পাৰ্লাৰত মালিচৰ বাবে ৰাখিলে মন্টি নামৰ এটা অজগৰ সাপ। ই চাৰিফুট দীঘল। ডিঙিৰ জঠৰতা ইত্যাদিৰ উপশমৰ বাবে ফ্ৰেংকে গ্ৰাহকৰ ওপৰত প্ৰয়োগ কৰিছে অজগৰ সাপটোৰ মালিচ। বিগত ১৩ বছৰ ধৰি এই সৰ্প মালিচ অব্যাহত আছে। কিন্তু আচৰিত কথা এয়ে যে নাৰীৰ প্ৰসাধনৰ সকলো সুবিধা থকা পাৰ্লাৰখনত সৰ্প মালিচৰ বাবে কোনো মাচুল লোৱা নহয়; কিন্তু মন্টিয়ে খাই ভালপোৱা মুৰ্গীৰ মাংসৰ বাবে কোনো গ্ৰাহকে ইচ্ছা কৰিলে দান দিব পাৰে। মন্টিৰ প্ৰতি অনুকম্পা পৰবশ হৈ বহু গ্ৰাহকে মুৰ্গী মাংসকে ধৰি তাৰ প্ৰিয় খাদ্য লৈ আহে। মন্টিৰ মালিচ দিয়াৰ ক্ষমতা ইমান নিখুঁত যে সেয়া প্ৰশিক্ষণপ্ৰাপ্ত বৃত্তিগত মালিচ দিওঁতাৰ বাবেও সম্ভৱ নহয়।

হান্না হাউবল্ড নামৰ গ্ৰাহকজনে কয় যে 'সাপটো বেছ গধুৰ আৰু তাৰ উত্তাপ কুহুমীয়া। মই সাপটোৰ স্পৰ্শ বৰ শীতল বুলিয়ে ভাবিছিলো। সাপটোৱে মোৰ ডিঙিটো কিছু জোৰেৰে মেৰিয়াই আছিল। সিমানেই।'

REVLON
PROFESSIONAL

পাঠকৰ কোনোবাই যদি মন্টিৰ মালিচৰ সোৱাদ লোৱাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে, তেওঁলোকৰ বাবে দুঃসম্বাদটো এয়ে যে তাৰ বাবে আগতীয়া বুকিঙৰ প্ৰয়োজন হ'ব। তদুপৰি অহা বছৰৰ (২০১৮)ৰ এপ্ৰিল পৰ্যন্ত বুকিং বন্ধ ৰখা হৈছে; কিন্তু এই আগষ্টতে অহা বছৰৰ মে'ৰ পৰা ছেপ্টেম্বৰলৈ কৰিব লগা সৰ্প মালিচৰ বাবে বুকিং কৰাৰ ব্যৱস্থা ৰখা হৈছে। এই ক্ষেত্ৰত আন এটা সমস্যাৰ বিষয়েও পাঠকক অৱগত কৰি থওঁ। সাপ হ'লেও মন্টিৰো ইচ্ছা-অনিচ্ছাৰো কথা আছে। তদুপৰি কি গোপন কৌশলৰ জৰিয়তে ফ্ৰেংকে মন্টিক মালিচ কৰ্মত জনহিতৰ বাবে কামত লগাইছে, সেয়াও তেওঁহে জানিব। মালিকৰ মতে মন্টিয়ে সপ্তাহত মাথো দুদিনহে গ্ৰাহকৰ ডিঙিত মালিচ দিয়ে। এনে সেৰেঙা মালিচৰ বাবেও গ্ৰাহকৰ বিলাই-বিপত্তি হৈছে।

এইখিনিতে এষাৰ সতৰ্ক বাণী শুনাওঁ। অজগৰ সাপে তাৰ চিকাৰক গাৰ প্ৰচণ্ড হেঁচাৰে হাড় ইত্যাদি ভাঙি গুৰা কৰি মাংসপিণ্ডত পৰিণত কৰিহে গিলে। অৰ্থাৎ মালিচপ্ৰত্যাশী গ্ৰাহকৰ গ্ৰীৱাত মাত্ৰাধিক হেঁচাৰে মালিচ কৰিলে, কি ভয়ংকৰ পৰিণতি হ'ব, সেয়াও বিচাৰ্য বিষয়।

ফোন ঃ ৯৮৫৯৫৮-১০৭৪